বেছি হোৱা স্থানসমূহ এনে শ্লগান লিখা দেখা পোৱা গৈছিল। ইয়াৰ যোগেদি দেশৰ জনসাধাৰণৰ স্থানীয় সামগ্ৰীৰ প্ৰতি আকৰ্ষণ বাঢ়ে।

**3.11 বাণিজ্যিক সংৰক্ষণৰ ফলাফল** (Effcets of Protection) ঃ

আন্তৰ্জাতিক বাণিজ্যত সংৰক্ষণ নীতি প্ৰয়োগ কৰিলে দেশ এখনৰ আমদানি, ৰপ্তানি, উৎপাদন, উপভোগ, ৰাজহ, নিযুক্তি, বাণিজ্য হাৰ, প্ৰতিযোগিতা, আয় আৰু উদ্বৃত পৰিশোধ এই সকলোবোৰতে প্ৰভাৱ পৰা দেখা যায়। তলত বাণিজ্য সংৰক্ষণৰ ফলাফলসমূহ আলোচনা কৰা হ'ল।

1. **আমদানি** (Import) ঃ কোনো এখন দেশে আমদানিৰ ওপৰত শুল্ক আৰোপ কৰিলে আমদানিকৃত সামগ্ৰীৰ দাম ঘৰুৱা বজাৰত বৃদ্ধি পায়। ফলত আমদানি নিয়ন্ত্ৰণ হোৱাৰ লগতে ঘৰুৱা উদ্যোগসমূহ সংৰক্ষিত হয়। অৱশ্যে শুল্ক আৰোপ উচ্চ হাৰত কৰিলেহে এনেদৰে ঘৰুৱা উদ্যোগসমূহ সংৰক্ষিত হয়। এখন দেশে আমদানিৰ ওপৰত উচ্চ হাৰত শুল্ক আৰোপ কৰাৰ লগে-লগে আমদানিৰ বিকল্প হিচাপে ঘৰুৱা উদ্যোগৰ সম্প্ৰসাৰণ কৰা অতি প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত আমদানিৰ বিকল্প হিচাপে গঢ়ি উঠা ঘৰুৱা উদ্যোগসমূহে উৎপাদন কৰা দ্ৰব্যৰ যোগানৰ দৰ স্থিতিস্থাপকতা বেছি হোৱা দৰকাৰ। তেনে অৱস্থাতহে ঘৰুৱা উদ্যোগসমূহে সংৰক্ষণৰ সুফলতা লাভ কৰিব পাৰে। কিয়নো এনে উদোগসমূহে উন্নত অৱস্থা লাভ কৰি এটা সময়ত আন্তৰ্জাতিক প্ৰতিযোগিতাত অংশ ল'বৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে। এনে অৱস্থাতহে আমদানি নিয়ন্ত্ৰণৰ মূল উদ্দেশ্য সফল হয়।

2. **উৎপাদনৰ প্ৰভাৱ** (Effcet on Production) ঃ আমদানিৰ ওপৰত উচ্চ হাৰত শুল্ক আৰোপ কৰি ঘৰুৱা উদ্যোগৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিলে ঘৰুৱা উদ্যোগসমূহে উৎপাদিত দ্ৰব্য বিক্ৰি কৰিবলৈ ঘৰুৱা ভাৱে এখন বজাৰ লাভ কৰে। এনে অৱস্থাত উদ্যোগসমূহে উৎপাদন ব্যয়ৰ ওপৰত ভিত্তি কৰি দৰ নিৰ্ধাৰণৰ সুবিধা পায়। ফলত এহাতে দেশত উৎপাদনৰ পৰিমাণ বাঢ়ে অন্যহাতেদি উদ্যোগৰ সম্প্ৰসাৰণ ঘটে।

3. **উপভোগৰ ওপৰত প্ৰভাৱ** (Effcet on Consumption) ঃ যিহেতু সংৰক্ষণে ঘৰুৱা উদ্যোগক উৎপাদন ব্যয়ৰ ওপৰত ভিত্তি কৰি দ্ৰব্যৰ নিৰ্ধাৰণ কৰাৰ সুবিধা প্ৰদান কৰে গতিকে কেতিয়াবা-কেতিয়াবা উচ্চ দৰৰ বিপৰীতেহে

তেনে সামগ্ৰী উপভোগৰ সুবিধা লাভ কৰে। প্ৰতিযোগিতাৰ অভাৱত এনে উদ্যোগে একচেটিয়া ব্যৱসায়ীৰ দৰে দৰ বৃদ্ধি কৰি লাভ সৰ্বোচ্চ কৰিব বিচাৰিলে উপভোক্তাসকলে উচ্চ দৰ বহন কৰিব লগা হোৱাত উপভোগৰ পৰিমাণ কম হয়। এনে অৱস্থাত আমদানিৰ নিয়ন্ত্ৰণে দেশৰ উপভোক্তাসকলক ক্ষতি কৰে। অৱশ্যে সমাজৰ সামাজিক কল্যাণ সৰ্বোচ্চ কৰিব বিচাৰি বাণিজ্য নিয়ন্ত্ৰণ কৰিলে দেশৰ উপভোক্তাসকল লাভৱান হোৱাৰ সম্ভাৱনা থাকে।

4. **ৰাজহৰ ওপৰত প্ৰভাৱ** (Revenue Effcet) ঃ উন্নয়নশীল অৰ্থনীতিসমূহত দেশৰ চৰকাৰে দেশৰ সৰ্বাংগীন উন্নয়নৰ বাবে কৰিব লগা বহুতো কাম থাকে। গতিকে দেশৰ চৰকাৰৰ আয় বৃদ্ধি অতিশয় প্ৰয়োজন। আমদানিৰ ওপৰত শুল্ক আৰোপ কৰিলে ৰাজ্যৰ ৰাজহ যথেষ্ট পৰিমাণে বৃদ্ধি পায়। এনেদৰে সংগৃহীত ৰাজহ ৰপ্তানি বৃদ্ধি কাৰ্য্যত ব্যৱহাৰ কৰিলে দেশৰ বাণিজ্য পৰিশোধৰ ভাৰসাম্যতাৰ প্ৰতিকূল অৱস্থা (Unfavourable Balance of Payment) লাভ কৰিব পৰা যায়।

5. **পুনৰ বিতৰণৰ প্ৰভাৱ** (Redistribution Effcet) ঃ সংৰক্ষণ শুল্কই ঘৰুৱা উৎপাদনকাৰীসকলক স্বদেশৰ বজাৰ সম্প্ৰসাৰণৰ সুবিধা প্ৰদান কৰে। এনে অৱস্থাত ঘৰুৱা উৎপাদনকাৰীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ দাম বৃদ্ধি কৰিলে ঘৰুৱা উপভোক্তাসকলৰ আয় ঘৰুৱা উৎপাদনকাৰীৰ হাতলৈ যায়। ইয়াকে আয়ৰ পুনৰ বিতৰণ প্ৰভাৱ বোলা হয়। পুনৰ ঘৰুৱা উৎপাদনকাৰীসকলে দ্ৰব্যৰ দাম বৃদ্ধি কৰি যিখিনি অতিৰিক্ত আয় সংগ্ৰহ কৰে তাক অৰ্থনৈতিক খাজানা (Economic Rent) বোলা হয়। পুনৰ বিতৰণ ব্যৱস্থাৰ যোগেদি উৎপাদনকাৰীয়ে লাভ কৰা অতিৰিক্ত আয়ৰ একোটা অংশ উৎপাদনৰ উপাদানসমূহে লাভ কৰে। অৱশ্যে যিবোৰ সামগ্ৰী যোগান কমে তেনে সামগ্ৰীৰহে দাম বৃদ্ধি পায়। কিন্তু যিবোৰ দ্ৰব্যৰ যোগান অপৰ্য্যাপ্ত তেনে সামগ্ৰীৰ দৰ হ্ৰাস পায়।

6. **বাণিজ্য হাৰত প্ৰভাৱ** (Effcet on Terms of Trade) ঃ সংৰক্ষশ বাণিজ্যই দেশৰ বাণিজ্যিক হাৰৰ ওপৰত অনুকূল প্ৰভাৱ পেলায়। আমদানি সংৰক্ষণে আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি কৰি দেশৰ ভিতৰত চাহিদা কম কৰে। এনে অৱস্থাত ৰপ্তানিৰ পৰিমাণ একেই থাকিলে নাইবা ৰপ্তানিৰ পৰিমাণ বাঢ়িলে দেশৰ বাণিজ্য হাৰ সন্তোষজনক হয়। কেতিয়াবা-কেতিয়াবা কোনো দেশে

আমদানি শুল্ক আৰোপ কৰিলে তেনে সামগ্ৰী ৰপ্তানি কৰা দেশখনে দৰ হ্ৰাস কৰে। ফলত ঘৰুৱা দেশত আমদানিকৃত সামগ্ৰীৰ দৰ হ্ৰাস হোৱাত দেনাৰ পৰিমাণ কমে। এনে অৱস্থাত ৰপ্তানিৰ পৰিমাণ আৰু দৰ অপৰিৱৰ্তনীয় হ'লে দেশখনৰ বাণিজ্য হাৰ সন্তোষজনক হয়। কিন্তু সকলো দেশেই আমদানি নিয়ন্ত্ৰণ কৰিবলৈ হ'লে ফলাফল বিপৰীত হোৱাৰ সম্ভাৱনা থাকে।

7. **প্ৰতিযোগিতাৰ প্ৰভাৱ** (Competitive Effcet) ঃ কোনো এখন দেশে আমদানি শুল্ক আৰোপ কৰাৰ ফলত ঘৰুৱা বজাৰত প্ৰতিযোগিতা নাইকিয়া হয়। এনে অৱস্থাত স্বদেশৰ উদ্যোক্তাসকল কেতিয়াবা একচেটিয়া ব্যৱসায়ীলৈ পৰিণত হ'ব পাৰে। এনে উদ্যোক্তাই দক্ষতাৰে উদ্যোগ পৰিচালনা কৰি এহাতে উদ্যোগৰ সম্প্ৰসাৰণ আনহাতে উৎপাদন ব্যয় হ্ৰাস কৰি সামগ্ৰীৰ যোগান ধৰিলে দেশৰ জনকল্যাণ বাঢ়ে কিন্তু একচেটিয়া অধিকাৰ লাভ কৰি মাথোন লাভ সৰ্বাধিক কৰাৰ আশাৰে দ্ৰব্যৰ দাম বৃদ্ধি কৰিলে দেশৰ জনকল্যাণ হ্ৰাস পাব। এনে অৱস্থাত সংৰক্ষণে দেশৰ বিপদ সাধন কৰে।

8. **দৰৰ ওপৰত প্ৰভাৱ** (Effcet on Price) ঃ সাধাৰণতে দেশ এখনে আমদানি ওপৰত উচ্চ হাৰত শুল্ক আৰোপ কৰিলে আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি পায় আৰু ঘৰুৱা বজাৰত বৰ্ধিত দামে চাহিদা হ্ৰাস কৰে। কিন্তু কেতিয়াবা-কেতিয়াবা উচ্চ হাৰত শুল্ক আৰোপ কৰিলেও আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি নহয়। ইয়াৰ কাৰণ যিখন দেশৰ পৰা সামগ্ৰীবিধ আমদানি কৰা হয় সেইখন দেশে সমূহ আৰোপিত শুল্ক বহন কৰিব পৰাকৈ সামগ্ৰী বিধৰ দাম কমকৈ ধাৰ্য্য কৰে। গতিকে আমদানি কৰা দেশখনে আমদানি শুল্ক আৰোপ কৰিলেও যোগানৰ স্থিতিস্থাপকতাৰ দিশটো অধ্যয়ন কৰিহে দৰৰ প্ৰভাৱ সম্পৰ্কে বিবেচনা কৰিব পৰা যায়।

9. **বাণিজ্য উদ্বৃত পৰিশোধৰ প্ৰভাৱ** (Balance of Payment Effect) ঃ এখন দেশে আমদানিৰ ওপৰত অধিক হাৰত কৰ আৰোপ কৰি বৈদেশিক দ্ৰব্যৰ দাম বৃদ্ধি কৰিব পাৰে। এনে কৰিলে আমদানিৰ পৰিমাণ কম হ'ব আৰু বাণিজ্য উদ্বৃত পৰিশোধৰ অৱস্থা সন্তোষজনক হ'ব। কিন্তু দেশখনৰ ৰপ্তানি দ্ৰব্যৰ ওপৰত যদি আনখন দেশে শুল্ক আৰোপ কৰে তেনেহ'লে দেশখনৰ ৰপ্তানিৰ পৰিমাণ কমি বাণিজ্য উদ্বৃত পৰিশোধৰ অৱস্থা অধিক দুখ লগা কৰি তুলিব।